**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-March-2026
**Time :** 0755 HRS

***Assamese Morning Bulletin***

———————————————————

বিধানসভা নিৰ্বাচনৰ বাবে আজি মনোনয়ন দাখিলৰ অন্তিম দিন। আজি অন্তিম দিনা বিভিন্ন জিলাত সকলো ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকল মনোনয়ন পত্ৰ দাখিলৰ বাবে সাজু হৈছে। প্ৰাৰ্থীসকলে বিয়লি ৩ বজা পৰ্যন্ত মনোনয়ন দাখিল কৰিব পাৰিব। কামৰূপ মহানগৰ জিলাৰ ৫ টা বিধানসভা সমষ্টিৰ বাবে আজি বিভিন্ন ৰাজনৈতিক দলৰ প্ৰাৰ্থীসকলে মনোনয়ন দাখিল কৰিব। বিজেপিৰ দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈ, মধ্য গুৱাহাটীৰ প্ৰাৰ্থী বিজয় গুপ্তা, নিউ গুৱাহাটীৰ প্ৰাৰ্থী দিপ্লু ৰঞ্জন শৰ্মা আৰু মিত্ৰদল এ জি পিৰ ডিমৰীয়া সমষ্টিৰ প্ৰাৰ্থী ডঃ তপন দাসে আজি মনোনয়ন পত্ৰ দাখিল কৰিব। ইপিনে, দিছপুৰ সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মীৰা বৰঠাকুৰ, নিউ গুৱাহাটীৰ প্ৰাৰ্থী শান্তনু বৰা, ডিমৰীয়াৰ প্ৰাৰ্থী কিশোৰ কুমাৰ বৰুৱা, জালুকবাৰীৰ প্ৰাৰ্থী বিদিশা নেওগ তথা এ জে পিৰ মধ্য গুৱাহাটীৰ প্ৰাৰ্থী কুংকী চৌধুৰীয়ে মনোনয়ন দাখিল কৰিব। প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে আজি যোৰহাটত মনোনয়ন পত্ৰ দাখিল কৰিব। অখিল গগৈ আৰু লুৰিণজ্যোতি গগৈয়ে তেওঁক সংগ দিব। গোলাঘাটত অগপৰ সভাপতি অতুল বৰাই মনোনয়ন দাখিল কৰিব। নলবাৰী জিলাৰ ৩ টা বিধানসভা সমষ্টি - নলবাৰী, টিহু আৰু বৰক্ষেত্ৰীৰ বাবে বিজেপি আৰু বিৰোধী কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলে আজি মনোনয়ন পত্ৰ দাখিল কৰিব। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলাখনত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলাৰ লগতে যাতায়াত নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা হৈছে। আজি বিজেপিৰ জয়ন্ত মল্ল বৰুৱা, চন্দ্ৰমোহন পাটোৱাৰী আৰু নাৰায়ণ ডেকাই মনোনয়ন দাখিল কৰিব। তেওঁলোকে গৰ্ডন খেলপথাৰৰ পৰা শোভাযাত্ৰা কৰি জিলা আয়ুক্তৰ কাৰ্যালয়লৈ যাব। ইপিনে, কংগ্ৰেছ দলৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত চত্তিশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেল, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি গৌৰৱ গগৈ আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক জীতেন্দ্ৰ সিং উপস্থিত থকাৰ কথা।

ইপিনে, মনোনয়ন দাখিলৰ অন্তিম দিনাৰ বাবে জিলা প্ৰশাসনসমূহেও তৎপৰতা অব্যাহত ৰাখিছে। যোৰহাট জিলাত আজি পুৱা দহ বজাৰ পৰা বিয়লি ৩ বজালৈ কেইবাটাও পথত যাতায়াতৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। এই সময়ছোৱাত যোৰহাট চহৰৰ গীতাৰ্থী তিনিআলিৰ পৰা বৰুৱা চাৰিআলিলৈ, ডি চি বি পথ আৰু মছজিদ পইণ্টৰ পৰা যোৰহাট চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বালক বিদ্যালয়ৰ চাৰিআলিলৈকে প্ৰৱেশ পথ সম্পূৰ্ণৰূপে বন্ধ থাকিব।

ইপিনে, শিৱসাগৰ বিধানসভা সমষ্টিৰ অগপ প্ৰাৰ্থী প্ৰদীপ হাজৰিকাই সংবাদমেলযোগে মনোনয়ন প্ৰত্যাহাৰৰ সন্দৰ্ভত বিয়পি পৰা বাতৰিক লৈ নিজৰ স্থিতি স্পষ্ট কৰি মনোনয়ন প্ৰত্যাহাৰ নকৰাৰ সিদ্ধান্তৰ কথা প্ৰকাশ কৰিছে।

oooooo

বিধাসনভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতা বৃদ্ধি পাইছে। ইতিমধ্যে কোনো কোনো দলে প্ৰচাৰ অভিযান আৰম্ভ কৰিছে। বিজেপিয়ে কাইলৈ আনুষ্ঠানিকভাৱে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ কৰিব। দলটোৱে প্ৰায় ৪০ জন তাৰকা প্ৰচাৰকক লৈ প্ৰচাৰ অভিযান চলাব বুলি বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই সাংবাদিকৰ আগত প্ৰকাশ কৰিছে। তেওঁলোকৰ ভিতৰত জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী

নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনকে ধৰি কেইবাগৰাকী কেন্দ্ৰীয় মন্ত্ৰী থাকিব বুলি শ্ৰীশইকীয়াই জানিবলৈ দিয়ে।

অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি তথা যোৰহাট বিধানসভা সমষ্টিৰ মনোনীত প্ৰাৰ্থী গৌৰৱ গগৈয়ে কালি জিলাখনৰ হুলুঙাপাৰ অঞ্চলত প্ৰচাৰ অভিযানত অংশ লয়। শ্ৰীগগৈয়ে কেইবাটাও নামঘৰত আশীষ লয় আৰু অঞ্চলটোৰ লোকসকলৰ সৈতে মত-বিনিময় কৰে। তেওঁ লগতে বিৰোধী মিত্ৰজোঁটে শক্তিশালীভাৱে নিৰ্বাচনত অৱতীৰ্ণ হ'ব বুলি প্ৰকাশ কৰে।

বাইট

০০০০০০

বিশিষ্ট চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাক কালি ২০২৬ বৰ্ষৰ মোমাই তামুলী বৰবৰুৱা বঁটা প্ৰদান কৰা হয়। টাই-আহোম যুৱ পৰিষদ অসম, ডিব্ৰুগড় জিলা সমিতিৰ উদ্যোগত জিলাখনৰ অন্তৰ্গত আঞ্চলিক সমিতি আৰু টাই-আহোম মহিলা পৰিষদ ডিব্ৰুগড় জিলা সমিতিৰ সহযোগত আমোলাপট্টি নাট্য মন্দিৰত কালি এই বঁটা প্ৰদান কৰা হয়। বঁটা গ্ৰহণ কৰি পৰিচাল গৰাকীয়ে কয়, যে বৰ্তমানৰ ডিজিটেল যুগত যুৱ প্ৰজন্মই নিজৰ বীৰ পুৰুষসকলক কেৱল চকুৰ আগত নেদেখাৰ বাবেই পাহৰিবলৈ ধৰিছে। তেওঁ লগতে কয়, যে মোমাই তামুলী কেৱল সেনাপতিয়ে নাছিল তেওঁ আছিল আধুনিক অসমৰ এজন দক্ষ সংগঠক। অসমীয়া মহিলাই কাপোৰত ফুল বাচিব পৰা যি গৌৰৱময় পৰম্পৰা আজি বিশ্বজুৰি সমাদৃত তাৰ মূলতে আছিল বৰবৰুৱাৰ কঠোৰ নিৰ্দেশনা বুলিও পৰিচালকগৰাকীয়ে কালি ভাষণ প্ৰসংগত উল্লেখ কৰে। উল্লেখযোগ্য যে ২০২৬ বৰ্ষৰ মোমাই তামুলী বৰবৰুৱা বঁটাত আছে- এখন প্ৰশস্তি পত্ৰ, চেলেং, গামোচা, হেংদান, ফাৰু, ফাচু, স্মাৰক আৰু ১১ হাজাৰ টকাৰ চেক। কালিৰ বঁটা প্ৰদান অনুষ্ঠানত টাই-আহোম যুৱ পৰিষদৰ বিষববীয়াসকলৰ উপৰি ডিব্ৰুগড় জিলাৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

কাৰ্বি আংলং জিলাৰ জ্যেষ্ঠ সাংবাদিক লখিন্দৰ ব্ৰহ্ম, প্ৰদীপ চন্দ্ৰ হাজৰিকা আৰু পশ্চিম কাৰ্বি আংলঙৰ সুন্দৰ চিং ক্ৰ'ক কালি বকলীয়া প্ৰেছ ক্লাবে ২০২৬ বৰ্ষৰ গ্ৰাম্য সাংবাদিকতা বঁটা প্ৰদান কৰে। বকলীয়া প্ৰেছ ক্লাবৰ দ্বিবাৰ্ষিক অধিবেশন উপলক্ষে আঞ্চলিক যুৱ সংঘৰ কাৰ্যালয়ত আয়োজিত মুকলি সভাত সাংবাদিক কেইগৰাকীক ফুলাম গামোচা, চেলেং, জাপি আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। সভাত প্ৰাক্তন সাংসদ হৰেণ সিং বে', কণ্ঠশিল্পী জয়মতী নাৰ্চাৰী, বিশিষ্ট সমাজ কৰ্মী মুকুট ৰাজবংশীকে ধৰি কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে।

০০০০০০

**সমাপ্ত**